জনসাধাৰণ – ১৭/০৭/১৫

# বিলাসীপাৰাত এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণক লৈ নাগৰিকৰ দুৰ্ভোগ

জনসাধাৰণ বিশেষ সেৱা, বিলাসীপাৰা, ১৬ জুলাই ঃ এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ বাবে লিগেচী ডাটা, লিংক চাৰ্টিফিকেট তথা অন্যান্য তথ্যৰ বাবে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে বিলাসীপাৰাৰ নাগৰিকেও পূৰ্ণ সংহাৰি জনোৱাৰ লগতে সেৱাকেন্দ্ৰ, নগৰ সমিতি, পঞ্চায়ত কাৰ্যালয়সমূহত ভিৰ কৰা পৰিলক্ষিত হয়। ইয়াৰ সমান্তৰালকৈ প্ৰ-পত্ৰ পূৰণত জটিলতা অনুভৱ কৰাৰ দৰে লিংক চাৰ্টিফিকেট বিচাৰি যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে। বিশেষকৈ বিলাসীপাৰা নগৰৰ ৱাৰ্ড আয়ুক্ত একাংশৰ সম্পূৰ্ণ সহযোগিতা নোপোৱাৰ অভিযোগ উত্থাপন হোৱাৰ দৰে নগৰ সমিতিখনৰ কাৰ্যালয়ত একাধিকবাৰ অহা-যোৱা কৰাৰ পিছতহে লিংক চাৰ্টিফিকেট লাভ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে নগৰখনৰ ৮নং ৱাৰ্ডৰ নাগৰিকৰ ক্ষেত্ৰত সুকীয়া। কিয়নো, ৱাৰ্ডটোৰ সদ্যনিৰ্বাচিত ৱাৰ্ড আয়ুক্ত লাইলা আঞ্জুমা বেগম আৰু ছহিদুল হক চৌধুৰীয়ে তেওঁৰ সমষ্টিৰ প্ৰতিজন নাগৰিকক সম্পূৰ্ণ সহযোগিতা আগ বঢ়োৱাৰ বাবে সদাপ্ৰস্তুত হৈ আছে। তেওঁলোকৰ ওচৰলৈ যোৱা প্ৰতিজন নাগৰিকক লিংক চাৰ্টিফিকেট, এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণ কৰাত সহযোগিতা আগ বঢ়োৱাত সৰ্বসাধাৰণে দম্পতীযোৰক কৃতজ্ঞতা জনাইছে। এই দম্পতীযোৰৰ দৰে শিক্ষিত যুৱক-যুৱতী তথা ৱাৰ্ড আয়ুক্তসকলৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীয়ে সহায়ৰ হাত আগ বঢ়াই আহিলে এন আৰ চিৰ কাম নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ হোৱাটো নিশ্চিত বুলি সচেতন মহলে মন্তব্য কৰে।